**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ বৈশিষ্টসমূহৰ স্বীকৃতি তথা সংৰক্ষণত মনোনিৱেশ কৰাটো সময়ৰ আহ্বান বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যত শাসক-বিৰোধীৰ নিৰ্বাচনী তৎপৰতা। বিজেপিৰ সংকল্প পত্ৰৰ বাবে ৰাইজৰ পৰামৰ্শ আহ্বান।

৩। আলফা স্বাধীনৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীৰ কটকটীয়া নিৰাপত্তা।

৪। ৰঙালী বিহুলৈ এসপ্তাহ বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন স্থানত বিহুৰ আখৰা, কৰ্মশালাৰে উখল-মাখল পৰিৱেশ।

*আৰু*

৫। হায়দৰাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে গুজৰাট টাইটানছৰ ৭ উইকেটত জয়লাভ।

ooooo

খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ বৈশিষ্টসমূহৰ স্বীকৃতি তথা সংৰক্ষণৰ দিশত মনোনিৱেশ কৰাটো সময়ৰ আহ্বান বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি তামুলপুৰৰ পথালিকুছিত আয়োজিত সদৌ বাথৌ মহাসভাৰ ৩২ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰি কয়, যে সকলোৰে ধৰ্মীয় আৰু আধ্যাত্মিক ৰীতি-নীতি, বিশ্বাস, সংস্কৃতি আদিৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বিষয়ে গুৰুত্বসহকাৰে চিন্তা কৰা উচিত। ধৰ্মীয় বিশ্বাস, পৰম্পৰা, আচাৰ-অনুষ্ঠান, গীত-নৃত্য আদি কেৱল জাতীয় বা জনগোষ্ঠীয় পৰিচয়ৰ প্ৰতীক নহয়, বৰং এয়া স্বকীয় অস্তিত্বৰ মূল আধাৰ বুলি তেওঁ কয়। সম্প্ৰতি আধুনীকীকৰণ, প্ৰব্ৰজন আৰু বিভিন্ন বাহ্যিক কাৰকৰ বাবে যুৱ প্ৰজন্মৰ বহু প্ৰতিনিধি নিজৰ জাতীয় আৰু জনগোষ্ঠীয় শিপা তথা সংস্কৃতিৰ পৰা বিচ্ছিন্ন হ'বলৈ ধৰিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে সকলোৱে একত্ৰিতভাৱে এই প্ৰত্যাহ্বানৰ বিৰুদ্ধে যুঁজিব লাগিব আৰু ইয়াৰ সমাধান সূত্ৰ উলিয়াব লাগিব।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

তেওঁ বাথৌ ধৰ্ম পৃথিৱীৰ অতি প্ৰচীন ধৰ্মবোৰৰ ভিতৰত অন্যতম বুলিও কয়। নিজৰ চহকী সংস্কৃতি আৰু প্ৰচীন পৰম্পৰাৰ সংৰক্ষণ তথা প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তেহে বিশ্ব মঞ্চত বড়ো জাতিৰ অনন্য পৰিচয়

চিৰ কাললৈ জিলিকি থাকিব বুলি মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে। ঠেলামাৰত ৫০০ খন বাথৌ থানশালিলৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে দিয়া প্ৰতিশ্ৰুতি অনুসৰি যোৱা দুবছৰত ২০০ খন বাথৌ থানশালিলৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে। চলিত বৰ্ষত আৰু ১০০ খন বাথৌ থানশালিলৈ বিত্তীয় সাহায্য আগবঢ়োৱা হ'ব বুলি ডঃ শৰ্মাই কয়। তেওঁ বাথৌ থানশালি আৰু হেৰিটেজ চেণ্টাৰ নামেৰে গোৰেশ্বৰ, চিৰাং আৰু ঘোঁৰামৰা বা তেজপুৰত তিনিখন বৃহৎ বাথৌ থানশালি সুন্দৰকৈ গঢ়ি তোলাৰ বাবে ৫ কোটি টকাকৈ মুঠ ১৫ কোটি টকা আগবঢ়োৱাৰ কথাও ঘোষণা কৰে। নতুন দিল্লীত নিৰ্মাণ হ'বলগীয়া অসম ভৱনৰ চৌহদত নামঘৰ নিৰ্মাণৰ লগতে সিজু গছ ৰোপণ কৰি বাথৌ মহাসভাৰ সহযোগত বাথৌ ধৰ্মৰ গৌৰৱৰ গাথা দাঙি ধৰাৰ বাবে চৰকাৰে প্ৰয়াস চলাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কালিৰ এই অনুষ্ঠানত সাংসদ ৰণগৌড়া নাৰ্জাৰী, বিধায়ক জলেন দৈমাৰী, বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োও উপস্থিত থাকে।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যত শাসক-বিৰোধী উভয়পক্ষই নিৰ্বাচনী তৎপৰতা অব্যাহত ৰাখিছে। অহা ২ আৰু ৭ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে ভোটাৰৰ কাষ চপাৰ বাবে পৰিকল্পনা যুগুত কৰিছে। বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনৰ সংকল্প পত্ৰৰ বাবে ৰাইজৰ পৰা পৰামৰ্শ বিচাৰিছে। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই জনসাধাৰণক ই-মেইল, হোৱাটছএপ অথবা লিখিতভাৱে তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ পোনপটীয়াকৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে। জনসাধাৰণে panchayatsankalpatra@gmail.com অথবা ৯১০১৬ ৬৪৫৯৩ নম্বৰত হোৱাটছএপ যোগে তেওঁলোকৰ পৰামৰ্শসমূহ অহা ১০ এপ্ৰিলৰ ভিতৰত প্ৰেৰণ কৰিব পাৰিব। ইপিনে, এইবাৰ পঞ্চায়ত নিৰ্বাচনত শাসকীয় বিজেপি আৰু অগপই বুজাবুজিৰে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। গোলাঘাট জিলা বিজেপি কাৰ্যালয়ত কালি অনুষ্ঠিত এখন বৈঠকত জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ বিধায়কসকলক নিজ নিজ অঞ্চলত মিত্ৰতাৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দায়িত্ব দিয়া হয়। আসন বুজাবুজিৰে বিধায়কসকলে প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰিব পাৰিব। এই বৈঠকত মন্ত্ৰী অজন্তা নেওগ, বিমল বৰা, অতুল বৰা, বিধায়ক বিশ্বজিৎ ফুকন, ভৱেন্দ্ৰনাথ ভৰালী, বিজেপি আৰু অগপৰ জিলা সভাপতি উপস্থিত থাকে।

সমাগত পঞ্চায়ত নিৰ্বাচনত ৰঙিয়া বিধানসভা সমষ্টিত বিজেপিয়ে মিত্ৰতাৰ ধৰ্ম পালন কৰি বুজাবুজিৰে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ৰঙিয়া সমষ্টিৰ বিজেপিৰ বিধায়ক ভবেশ কলিতাই প্ৰকাশ কৰিছে। কালি এখন সংবাদমেলত বিধায়কগৰাকীয়ে কয়, যে বিধানসভা সমষ্টিটোৰ অন্তৰ্গত ২৫ খন পঞ্চায়ত আৰু ৪ খন জিলা পৰিষদত বিজেপিৰ সৈতে মিত্ৰদলসমূহে বুজাবুজিৰ মাজেৰে আসনৰ ভাগ-বটোৱাৰা কৰিব। কামৰূপ জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ সন্দৰ্ভত জিলাখনৰপৰা আমাৰ সংবাদদাতা কৌশিক দাসে এইদৰে কয়-

*(বাইট ঃ কৌশিক দাস)*

০০০০০০

সমাগত পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া কোনো প্ৰাৰ্থীয়ে ফৌজদাৰী গোচৰত অভিযুক্ত হ'ব নোৱাৰিব বুলি শেহতীয়াকৈ ৰাজ্যিক নিৰ্বাচন আয়োগে জাৰি কৰা অধিসূচনাত উল্লেখ কৰিছে। কোনো প্ৰাৰ্থীৰ বিৰুদ্ধে দুবছৰ বা ততোধিক কাৰাবাস খাটিব লগীয়া কোনো অভিযোগ থাকিব নোৱাৰিব বুলিও অধিসূচনাত কোৱা

হৈছে। তদুপৰি লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ দৰে পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীয়েও নিজৰ স্থাৱৰ, অস্থাৱৰ সম্পত্তিৰ হিচাপ দাখিল কৰিব লাগিব। পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীৰ অৰ্হতা সন্দৰ্ভত শেহতীয়াকৈ নিৰ্বাচন আয়োগে অধিসূচনা জাৰি কৰিছিল। এই অনুসৰি মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীসকলে নিজৰ সম্পত্তিৰ হিচাপৰ শপতনামা জমা দিব লাগিব। কোনো প্ৰাৰ্থী বা প্ৰাৰ্থীগৰাকীৰ পত্নীয়ে বাল্য বিবাহ আইন, ২০০৬ ভংগ কৰিব নোৱাৰিব। একেদৰে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বিচৰা প্ৰাৰ্থীৰ বয়স ২১ বছৰৰ তলত হ'ব নোৱাৰিব বুলিও কোৱা হৈছে। প্ৰতিগৰাকী প্ৰাৰ্থীৰ বাসগৃহত অনাময় শৌচাগাৰ থাকিব লাগিব। তদুপৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা কোনো প্ৰাৰ্থীৰ দুটাতকৈ অধিক সন্তান থাকিব নোৱাৰিব বুলি কোৱা হৈছে। গাঁও পঞ্চায়তৰ সদস্যৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা দশম শ্ৰেণীত অধ্যয়ন কৰা হ'ব লাগিব। একেদৰে আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সদস্যৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বিচৰা প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা হ'ব লাগিব বুলি অধিসূচনাত উল্লেখ কৰা হৈছে। এই নিৰ্বাচনত জিলা পৰিষদৰ সদস্যই ১০ লাখ, আঞ্চলিক পঞ্চায়তৰ সদস্যই আঢ়ৈ লাখ আৰু গাঁও পঞ্চায়তৰ সদস্যই ২৫ হাজাৰ টকা পৰ্যন্ত ব্যয় কৰিব পাৰিব বুলি আয়োগে অধিসূচনাত উল্লেখ কৰিছে।

০০০০০০

আলফা স্বাধীনৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে বিশেষ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত বোমা স্কোৱাড, ডগ স্কোৱাডৰ দলে অভিযান চলাই কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তুলিছে। প্ৰতিষ্ঠা দিৱসৰ সময়ত অসম, অৰুণাচল সীমান্তত আলফা স্বাধীনে কূটাঘাটমূলক কাৰ্য সংঘটিত কৰাৰ বাবে চেষ্টা চলোৱা বুলি অসম আৰক্ষীৰ চোৰাংচোৱাই গৃহ বিভাগক ইতিমধ্যে সতৰ্ক কৰি দিছে। সেয়ে সীমান্তৱৰ্তী অঞ্চলত আৰক্ষীয়ে নিছিদ্ৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। উজনি অসমৰ বিভিন্ন স্থানতো সংগঠনটোই যাতে কোনো ধৰণৰ কূটঘাটমূলক ঘটনা সংঘটিত কৰিব নোৱাৰে তাৰ বাবে আৰক্ষী সন্তম হৈ পৰিছে।

০০০০০০

ৰঙালী বিহুলৈ এসপ্তাহ বাকী থকা অৱস্থাত উজনিৰ পৰা নামনিলৈ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। এইবেলিও পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে অসমবাসীয়ে উৎসাহ-উদ্দীপনা বজাই ৰাখি বিহু পালন কৰিব। গ্ৰামাঞ্চলত জীয়ৰী-বোৱাৰীয়ে হেঁপাহৰ বিহুৱান বৈ-কাটি উলিয়াইছে। প্ৰযুক্তিয়ে পৰিৱৰ্তন সাধন কৰাৰ সময়তো গ্ৰামাঞ্চলৰ বহু ঠাইত ঢেঁকীৰ শব্দ শুনা গৈছে। মহিলাসকলে বিহুৰ সময়ছোৱাত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা, জা-জলপান যতনাই থোৱাৰ বাবে ঢেঁকীশালত ব্যস্ত হৈ পৰিছে। ইয়াৰ বিপৰীতে ঢুলীয়া-নাচনীসকলৰ বিহুৰ আখৰা প্ৰায় চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। ঠায়ে ঠায়ে বিহু ঢোলৰ চেও আৰু বিহুনামে চৌদিশ মুখৰিত কৰি তুলিছে। সদাব্যস্ত গুৱাহাটী মহানগৰবাসীও ব'হাগক আদৰাৰ বাবে সাজু হৈ উঠিছে। মহানগৰীত মুকলি বিহু উদযাপনৰ লগতে কেইবাখনো ঐতিহ্যমণ্ডিত বিহুতলীত মঞ্চ বিহু উদযাপনৰ প্ৰস্তুতিও প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। গুৱাহাটীৰ লতাশিল, গণেশগুৰি, চানমাৰি, বেলতলা, ভৰলুমুখ আদি অঞ্চলত আড়ম্বৰপূৰ্ণভাৱে বিহু উদযাপন কৰা হ'ব। ইপিনে, মঞ্চবিহুত জনসাধাৰণক আমোদ দিয়াৰ বাবে শিল্পীসকলো সাজু হৈছে।

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিহুৰ প্ৰস্তুতিৰ বাবে কৰ্মশালা, আখৰা আদি অন্তিম পৰ্যায়ত উপনীত হৈছে। লখিমপুৰত ফাটবিহু সমিতিৰ উদ্যোগত বিহুনাচ আৰু ঢোলবাদনৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ঢকুৱাখনাৰ ফাটবিহু বাকৰিত আয়োজিত কৰ্মশালাত তিনি শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশ লৈছে।

ইপিনে, সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ উদ্যোগত শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰত পহিলা ব'হাগত হ'বলগীয়া মুকলি বিহুৰ বাবে কালি লাইখুঁটা স্থাপন কৰা হয়। বিহু নাচ গানৰ লগতে ব'হাগ বিহুৰ সৈতে জড়িত বিভিন্ন ৰীতি-নীতি পালনৰ বাবে ৰাজ্যবাসী সাজু হৈছে। ডিব্ৰুগড়ৰ সামাজিক অনুষ্ঠান আশ্বাস আৰু নৰম বাৰ্ষিক ডিব্ৰুগড় ৱৰ্কশ্বপ ৰে'লৰে বিহু উদযাপন সমিতিৰ উদ্যোগত যোৱা ২৮ মাৰ্চৰ পৰা অনুষ্ঠিত বিহুনাচ আখৰাৰ কালি সামৰণি পৰে। এই আখৰাত কমেও আঢ়ৈশ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। লোকনৃত্যৰ প্ৰশিক্ষক দিগন্ত বৰা, বৰ বিহুৱতী, পূবালী গগৈ ঘৰফলীয়া আৰু বিহুৱতী প্ৰস্তুতি বৰদলৈয়ে প্ৰশিক্ষণ প্ৰদান কৰে।

গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। এই উপলক্ষে কালি আয়োজিত এখন সংবাদমেলত উদ্যোক্তাসকলে এই বিষয়ে সদৰি কৰি কয়, যে এইবেলি বিহু উদযাপন সমিতিৰ সৰ্বোচ্চ সন্মান ডঃ ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্ৰদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্ৰদান কৰা হ'ব। তিনিদিনীয়া কাৰ্যসূচীত হুঁচৰি, সাংস্কৃতিক সন্ধিয়া আৰু ১০ গৰাকী জ্যেষ্ঠ শিল্পীৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে সংবাদমেলত প্ৰকাশ কৰে।

oooooo

ভাৰতৰত্ন সন্মানেৰে বিভূষিত ক্ৰিকেটাৰ শচীন টেণ্ডুলকাৰে আজি সপৰিয়ালে বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিব। বিশ্বৰ সৰ্বাধিক এটা খৰ্গ থকা গড়ৰ বিচৰণভূমি কাজিৰঙা, হাতী, ঢেকীয়াপতিয়া বাঘ, দুষ্প্ৰাপ্য দলহৰিণৰো বিচৰণথলী। পৰিয়ালৰ সৈতে কাজিৰঙা দৰ্শনলৈ অহা খেলুৱৈগৰাকীয়ে কাজিৰঙাৰ কঁহৰাৰ এটা ব্যক্তিগত পৰ্যটন নিবাসত নিশা কটোৱাৰ লগতে উদ্যানৰ অন্তৰ্ভাগত পৰিয়ালৰ সদস্যসকলৰ সৈতে হাতী আৰু জীপ ছাফাৰী কৰিব। কাজিৰঙালৈ টেণ্ডুলকাৰৰ আগমনৰ বাৰ্তা বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ স্থানীয় ৰাইজ আৰু ক্ৰিকেট প্ৰেমীসকল উৎসাহিত হৈ পৰিছে। স্থানীয় প্ৰশাসনেও টেণ্ডুলকাৰৰ আগমনক লৈ তৎপৰতা বৃদ্ধি কৰিছে।

oooooo

অসম ৰাজ্যিক সাংবাদিক সন্থাৰ গুৱাহাটী মহানগৰ সমিতিৰ উদ্যোগত আৰু ক্ৰীড়া সাংবাদিক কল্যাণ সন্থা অসমৰ সহযোগত আয়োজিত আন্তঃ সংবাদ মাধ্যম বেডমিণ্টন প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত ঋতুৰাজ বৰঠাকুৰে প্ৰথম, শিৰাশীষ ঠাকুৰে দ্বিতীয় আৰু মানস প্ৰতিম শৰ্মাই তৃতীয় স্থান দখল কৰে। মহিলাৰ ছিংগলছত নৱনীতা কলিতাই প্ৰথম, পুনম নাথে দ্বিতীয় আৰু হেনা দে'ই তৃতীয় স্থান দখল কৰে। দলীয় শাখাত গুৱাহাটী প্ৰেছক্লাবৰ হৈ শিৰাশিষ ঠাকুৰ, মানস প্ৰতিম শৰ্মা আৰু ঋতুৰাজ বৰঠাকুৰে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাৰোত্তোলনৰ প্ৰশিক্ষক অনুপ কোঁৱৰক বৰ্ষশ্ৰেষ্ঠ ক্ৰীড়া প্ৰশিক্ষকৰ বঁটা প্ৰদান কৰা হয়।

oooooo

হায়দৰাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি নিশা গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেটত পৰাস্ত কৰে। ১৫৩ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি গুজৰাট টাইটানছে ১৬ অ'ভাৰ ৪টা বলত ৩টা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। গুজৰাট টাইটানছৰ হৈ অধিনায়ক শুভমন গিলে অপৰাজিত ৬১ ৰাণৰ বৰঙণি আগবঢ়ায়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ মহম্মদ শ্বামীয়ে দুটা, পেট কামিন্সে এটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে টছত জয়লাভ কৰি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৫২ ৰাণ কৰিবলৈ সমৰ্থ হয়। গুজৰাট টাইটানছৰ হৈ মহম্মদ ছিৰাজে ৪টা উইকেট দখল কৰাৰ বিপৰীতে ছাই কিশোৰ আৰু প্ৰসিদ্ধ কৃষ্ণই দুটাকৈ উইকেট দখল কৰে। মহম্মদ ছিৰাজক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত আজি হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাৰ পৰা আৰম্ভ হ'ব।

০০০০০০

NPR/RNU (07-04-2025, Morn.)

মাৰ্কিন যুক্তৰাষ্ট্ৰ পুনৰ মহান আৰু শক্তিশালী কৰাৰ লক্ষ্যৰে সমগ্ৰ বিশ্বৰ বিৰুদ্ধে অভাৱনীয় প্ৰতিশুল্ক আৰোপ কৰাৰ পাছত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ বিৰুদ্ধে আমেৰিকাৰ লগতে ইউৰোপত প্ৰৱল প্ৰতিবাদৰ জোৱাৰ উঠে। এই বাতৰি অন্যান্য কাকতৰ লগতে **অসমীয়া প্ৰতিদিন** কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

ৰাজ্যৰ জলজীৱন মিছনৰ কাম-কাজৰ প্ৰাথমিকভাৱে সম্পূৰ্ণ হোৱা অ'ডিটৰ প্ৰতিবেদন ৰাজ্য চৰকাৰে ৰাজহুৱা কৰা নাই। আই আই টি মাদ্ৰাজে সম্পূৰ্ণ কৰা অ'ডিটৰ প্ৰাথমিক প্ৰতিবেদন প্ৰকাশ কৰাৰ ক্ষেত্ৰতো ৰাজ্য চৰকাৰে একো তথ্য সদৰি কৰা নাই। এই বাতৰি **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে।

অৰুণাচল প্ৰদেশৰ সীমান্তৰ কাষতে চীনে সামৰিক শক্তি বৃদ্ধি কৰি লহুংজে বিমানঘাটি উন্নীতকৰণৰ কাম কৰি আছে। চীনৰ এই তৎপৰতাই ভাৰতলৈ নতুন ভাবুকি কঢ়িয়াই অনাৰ শংকা কৰা হৈছে। বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় জনশক্তি নিগম ¯- এন এইচ পি চি-এ অৰুণাচলত নিৰ্মাণ কৰা দুহেজাৰ মেগাৱাট ক্ষমতাসম্পন্ন বৃহৎ নদীবান্ধে ৰঙালী বিহুৰ পূৰ্বে গেৰুকামুখ প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উৎপাদন আৰম্ভ কৰিবলৈ সাজু হৈছে। এই বাতৰি **আমাৰ অসম** কাকতৰ।

তামুলপুৰত বাথৌ মহাসভাৰ অধিৱেশনত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ বৈশিষ্টিক স্বীকৃতি দিয়াটো সময়ৰ আহ্বান বুলি তেওঁৰ ভাষণত উল্লেখ কৰে। এই বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

সংৰক্ষণৰ লগতে অভিলেখ সৃষ্টিৰ লক্ষ্যৰে শিৱসাগৰ জিলাৰ ডিমৌৰ ৰাইছাই গ্ৰাম্য ক্ৰীড়াংগনত কালি ১২ হাজাৰ মহিলাই একেলগে বিয়ানাম পৰিৱেশন কৰে। এই বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতৰ।

২০২৪-ৰ ডিচেম্বৰলৈকে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা মুঠ ঋণৰ পৰিমাণ ৭১৭ দশমিক ৯ বিলিয়ন ডলাৰ - এই নিৰিখ পূৰ্বৰ বৰ্ষৰ তুলনাত ১০ দশমিক ৭ শতাংশ অধিক। বাতৰিটো **অসমীয়া খবৰ** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

অসম আৰু মেঘালয়ৰ মাজত সীমা বিবাদ সন্দৰ্ভত চলিত মাহৰ ২৫ তাৰিখত আনুষ্ঠানিক পৰ্যায়ত আলোচনা অনুষ্ঠিত হ'ব। এই বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ত নিষ্পত্তি নোহোৱাকৈ ৪৯ হাজাৰ ৪৮৬ টা গোচৰ পৰি আছে। এই বাতৰি **দা ছেণ্টিনেল** কাকতৰ।

এতিয়া আহক আমি বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত বতৰ শুকান হৈ থাকিব বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত